# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2023
**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*

::::::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ দেশৰ লগতে বিদেশতো আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জন্ম দিৱস গান্ধী জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চিত্তৰগড় জিলাত এখন ৰাজহুৱা সভাক সম্বোধন কৰে।

৩। মধ্য প্ৰদেশৰ গোৱালিয়ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি  প্ৰায় ১৯ হেজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

৪। চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছত ভাৰতে আজি লাভ কৰা এটা ৰূপ আৰু ৩টা ব্ৰঞ্জসহ এতিয়ালৈকে সৰ্বমুঠ ৫৭ টা পদক অৰ্জন কৰিছে।

০০০০

সমগ্ৰ দেশৰ লগতে বিদেশতো আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জন্ম দিৱস গান্ধী জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। দিল্লীৰ সমাধি ক্ষেত্ৰ ৰাজঘাটত আজি পুৱা সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। আজি পুৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

বাংলাদেশৰ নোৱাখালিৰ ঐতিহাসিক গান্ধী আশ্ৰম চৌহদত বাপুজীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে বাংলাদেশত ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই আশ্ৰমখন পৰিদৰ্শন কৰি মহাত্মা গান্ধীৰ প্ৰতিমুৰ্তিত পুস্পাঞ্জলি তৰ্পন কৰে। গান্ধী আশ্ৰম ন্যাসে আয়োজন কৰা নোৱাখালিত শান্তি আৰু সমন্বয় ৰক্ষাৰ উদ্দেশ্যে গান্ধীজীৰ প্ৰচেষ্টা আৰু সমসায়মিক বিশ্বত ইয়াৰ প্ৰাসংগিকতা শীৰ্ষক এখন বক্তৃতানুষ্ঠানকো শ্ৰীবাৰ্মাই সম্বোধন কৰে। ইপিনে, শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী দীনেশ গুণবৰ্ধনা আৰু দেশখনত ভাৰতৰ উচ্চায়ুক্তই কলম্বোত থকা প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহ টেম্পল ট্ৰীজত মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী আৰু ভাৰতৰ উচ্চায়ুক্তগৰাকীয়ে তেওঁলোকৰ সাক্ষাৎকালত সাম্প্ৰতি সময়ত মহাত্মা গান্ধীৰ মূল্যবোধ আৰু আদৰ্শ তথা সমসায়মিক বিশ্বত ইয়াৰ প্ৰাসংগিকতাসমূহ স্মৰণ কৰে। এই উপলক্ষে  ভাৰতৰ উচ্চায়োগৰ কৰ্মচাৰীসকলে এটা বিশেষ স্বচ্ছতা অভিযান ৰূপায়ণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চিত্তৰগড় জিলাত এখন ৰাজহুৱা সভাত ভাষণ দিয়ে। তেওঁ কয় যে, জনসাধাৰণে বিপথে পৰিচালিত কৰি কংগ্ৰেছ ক্ষমতালৈ আহিছে যদিও চৰকাৰ চলব পৰা নাই। প্ৰধানমন্ত্ৰীয়ে কয় যে, মুখ্যমন্ত্ৰী অশোক গেহলট বিগত ৫ বছৰে নিজৰ চৰকাৰক বচাবলৈ ব্যস্ত হৈ আছে আৰু কংগ্ৰেছৰ আধা অংশ তেওঁৰ মুখ্যমন্ত্ৰীত্ব বচাবৰ বাবে নিয়োজিত হৈ আছে। তেওঁ কয় যে, কংগ্ৰেছে জনসাধাৰণক আওকান কৰি

আভ্যন্তৰীণ বিবাদত লিপ্ত হৈ আছে। শ্ৰীমোদীয়ে কয় যে, ৰাজ্যত বিজেপি চৰকাৰ গঠন হলে কোনো জনকল্যানমূলক আঁচনি বন্ধ কৰা নহয় আৰু এনে আঁচনিসমূহ অব্যাহত ৰখা হ'ব। আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত য'ত সন্দেহ আছে, তাত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি তেওঁ কয়।

আইন শৃংখলা পৰিস্থিতিক লৈ ৰাজ্য চৰকাৰৰ বিৰুদ্ধে শ্ৰীমোদীয়ে কয় যে, অপৰাধ আৰু মহিলাৰ ওপৰত হোৱা অত্যাচাৰৰ ক্ষেত্ৰত ৰাজস্থান দেশৰ ভিতৰতে শীৰ্ষ ৰাজ্যত পৰিণত হৈছে আৰু যিটো অতি চিন্তাৰ বিষয়। তেওঁ কয় যে, বিজেপি চৰকাৰে ৰাজ্যত মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰিব। তেওঁ আৰু কয় যে, বিৰোধী দলসমূহে মহিলা সংৰক্ষণ বিধেয়কক লৈ বিভ্ৰান্তি বিয়পাইছে আৰু জনসাধাৰণে ইয়াক আওকান কৰা উচিত। প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি সন্দৰ্ভত ভাষণ দি শ্ৰীমোদীয়ে কয় যে, বিশ্বকৰ্মা পৰিয়ালসমূহ এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁৰ চৰকাৰে ক্ষমতালৈ অহাৰ লগে লগে জোৱানসকলৰ বাবে এটা পদ এক পেঞ্চন নীতি ৰূপায়ণ কৰিছিল আৰু এতিয়ালৈকে অ' আৰ অ' পি আঁচনিৰ অধীনত প্ৰাক্তন জোৱানসকলক ৭০ হাজাৰ কোটি টকা দিয়া হৈছে। তেওঁ কয় যে, মহাত্মা গান্ধী স্বচ্ছতাৰ পোষক আছিল আৰু তেঁওৰ জন্ম দিনত আয়োজন কৰা কাৰ্যসূচীত সকলোৱে অংশ গ্ৰহণ কৰিব লাগে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মৃতিচিহ্নসমূহৰ আজিৰে পৰা সাধাৰণ জনতাৰ বাবে ই-নিলাম মুকলি কৰা হৈছে বুলি সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰে। চলিত মাহৰ ৩১ তাৰিখলৈ এই নিবিদা গ্ৰহণ কৰা হব। জনসাধাৰণে ইয়াত অংশগ্ৰহণ কৰিবলৈ ৱেৱছাইট pmmementos.gov.in ত পঞ্জীয়ন কৰিব পাৰিব। এই নিলামৰ পৰা সংগৃহীত ধন পবিত্ৰ গংগা পুনৰজীৱিতকৰণ প্ৰকল্প নমামী গংগালৈ আগবঢ়োৱা হব। এই নিলামৰ পঞ্চম সংস্কৰণত ই-নিলামৰ বাবে ১০০ টকাৰ পৰা ৬৫ লাখ টকালৈ স্মৃতিচিহ্নসমূহ উপলব্ধ হব। নতুন দিল্লীৰ নেচনেল গেলাৰী অৱ মডাৰ্ণ আৰ্টত স্মৃতিচিহ্নসমূহৰ এখন প্ৰদৰ্শনীও আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত ১৫০ টাতকৈও অধিক উল্লেখযোগ্য স্মৃতিচিহ্ন আছে, যিয়ে ৰাষ্ট্ৰৰ সাংস্কৃতিক সজীৱতাৰ আভাস দিয়ে। প্ৰদৰ্শনীখন উদাৰতা, সদিচ্ছা আৰু কলাসূলভ উপহাৰৰ এক উৎসৱত পৰিণত হয়।

সাংস্কৃতিক ৰাজ্য মন্ত্ৰী মিনাক্ষী লেখীয়ে কয় যে, এই স্মৃতিচিহ্নসমূহে আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। তেওঁ এই ই-নিলামত সকলোকে অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায় আৰু আশা কৰে যে, এই স্মৃতিচিহ্নসমূহে মানুহৰ ঘৰত প্ৰৱেশ কৰি আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যক জীয়াই ৰাখিব।

প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা ৯১২ টাতকৈ অধিক উপহাৰ ই-নিলামৰ বাবে ৱেৱছাইটত উপলব্ধ হ'ব। এই স্মৃতিচিহ্নসমূহৰ দ্বাৰা চিত্ৰকলা, ভাস্কৰ্য্য, থলুৱা হস্তশিল্প, মনোমোহা লোকশিল্প আৰু জনজাতীয় শিল্পকে ধৰি এক পৰম্পৰাগত শিল্পৰ প্ৰদৰ্শন কৰা হৈছে। এই সামগ্ৰীসমূহৰ ভিতৰত কিছুমান গতানুগতিকভাৱে লাভ কৰা সন্মান আৰু শ্ৰদ্ধাৰ প্ৰতীক য'ত পৰম্পৰাগত অংগবস্ত্ৰ, মুৰত মৰা পাগুৰি আৰু আনুষ্ঠানিক তৰোৱাল আদিও আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য প্ৰদেশৰ গোৱালিয়ৰত প্ৰায় ১৯ হেজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে জনসাধাৰণৰ প্ৰতি উৎসৰ্গা কৰে। তেওঁ দিল্লী বডোডৰা এক্সপ্ৰেছ পথছোৱাও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে এহেজাৰ ৮৮০ কোটিতকৈও অধিক টকা ব্যয়সাপেক্ষ ৫টা বিভিন্ন পথ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। অহা ৫ টা বছৰ মধ্য প্ৰদেশৰ বাবে অত্যন্ত

গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰাজ্যখনক দেশৰ শীৰ্ষ স্থানৰ তিনিখন ৰাজ্যৰ অন্যতম ৰাজ্য হিচাপে গঢ়ি তোলাটোৱেই কেন্দ্ৰ চৰকাৰৰ লক্ষ্য। নাৰী শক্তি বন্দন আইনখন এটি বাস্তৱত পৰিণত হৈছে বুলিও তেওঁ কয়। শ্ৰীমোদীয়ে কয় যে, ভাৰতবৰ্ষক এখন সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সকলোৰে সমানে দায়িত্ব আছে।

০০০০

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰাণেই আজি মুম্বাইত খাদী আৰু গ্ৰামোদ্যোগ বিভাগে আয়োজন কৰা খাদী মহোৎসৱ উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীৰাণেই খাদী আৰু গ্ৰামোদ্যোগসমূহে বিগত বছৰসমূহত দেখুওৱা বিকাশ সম্পৰ্কে আলোকপাত কৰি তেওঁলোকৰ কাম-কাজৰ প্ৰশংসা কৰে। ২০১৪-১৫ চনত খাদী আৰু গ্ৰামোদ্যোগ বিভাগে ৩০ হাজাৰ কোটি টকা ব্যৱসায় কৰা বুলি উল্লেখ কৰে। পূৰ্বৰ তুলনাত এয়া প্ৰায় ১৩৪ হেজাৰ কোটি টকা বৃদ্ধি বুলি জানিবলৈ দিয়ে। বিগত ৯ টা বছৰত ৰূপায়ণ কৰা উদ্ভাৱনীমূলক উপায়সমূহৰ বাবে এনে উল্লেখনীয় বিকাশ সম্ভৱ হৈছে বুলি তেওঁ মন্তব্য কৰে। অহা ৩১ অক্টোবৰলৈকে এই খাদী মহোৎসৱ অনুষ্ঠিত হ'ব। থলুৱাভাৱে উৎপাদিত সামগ্ৰীসমূহৰ প্ৰচাৰৰ বাবে ভোকেল ফৰ লোকেল নীতিত গুৰুত্ব আৰোপ কৰি এই মহোৎসৱত খাদীৰ পৰা নিৰ্মীত সামগ্ৰীৰ উপৰি আন আন থলুৱা সামগ্ৰীৰো প্ৰদৰ্শন কৰা হৈছে। এই মহোৎসৱৰ সময়ছোৱাত ক্ৰেতাই খাদীৰ সামগ্ৰী ২০ ৰ পৰা ২৫ শতাংশ ৰেহাই লাভ কৰিব। ইপিনে, এই মহোৎসৱতে যুৱক-যুৱতীসকলৰ মাজত ছুটি সংগীত প্ৰতিযোগিতা আৰু খাদী আৰু গ্ৰামোদ্যোগক বিষয় হিচাপে লৈ ভিডিঅ' গেম প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০

চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছত আজি ভাৰতে এটা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতে এতিয়ালৈকে ১৩ টা সোণ, ২১ টা ৰূপ আৰু ২২ টা ব্ৰঞ্জৰ পদকেৰে সৰ্বমুঠ ৫৭ টা পদক লাভ কৰে। ভাৰতীয় মহিলা আৰু পুৰুষৰ স্পীড স্কেটিং দলে দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে টেবুল টেনিছত মহিলাৰ ডাবলছ শাখাত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ লং জাম্পত এন চি সুজনে ৬ দশমিক ৫-৬ মিটাৰ জাম্প কৰি ৰূপৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা স্কেটিং দলৰ সঞ্জনা ভাটুকা, কাৰ্তিকা জগদীশ্বৰণ, হীৰাল সাধু আৰু আৰতি কস্তুৰীৰাজে ৩হাজাৰ মিটাৰ স্পীড স্কেটিং ৰিলেট তৃতীয় স্থান দখল কৰে। ভাৰতৰ আৰয়ন পল, আনন্দ কুমাৰ, সিদ্ধান্ত, বিক্ৰমক লৈ গঠিত পুৰুষৰ স্পীড স্কেটিং দলটোৱেও তৃতীয় স্থান দখল কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। টেবুল টেনিছত অয়হিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে মহিলাৰ ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰে। চেমিফাইনেলত তেওঁলোক উত্তৰ কোৰিয়াৰ ছুয়ং সাহ আৰু ছুগয়ং পকৰ বিৰুদ্ধে খেলি পৰাজিত হয়। ভাৰতৰ স্কুৱাছ খেলুৱৈ সৌৰভ ঘুশালে আজি ১৬ ৰাউণ্ডত কুৱেইটৰ আম্মাৰ আলটামিমিৰ বিৰুদ্ধে জয়লাভ কৰে। আনহাতে মহেশ মঙ্গোকাৱে জাপানৰ যুৱ নুচুকে চুকেৰ হাতত পৰাস্ত হয়।

ভাৰতৰ কাবাডী অভিযানো আৰম্ভ হৈছে। এছিয়ান গেমছৰ দুবাৰৰ চেম্পিয়ন ভাৰতৰ মহিলা কাবাডী দলটোৱে আজি ছাইনিজ টাইপেইৰ সৈতে ৩৪ অংকৰে সমতা স্থাপন কৰে। আনহাতে, এছিয়ান গেমছৰ সাতবাৰৰ স্বৰ্ণপদক বিজয়ী ভাৰতৰ পুৰুষৰ পুৰুষৰ কাবাডী দলটো কাইলৈ বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ হকীত ভাৰতীয় দলটোৱে পুল এৰ ফাইনেল মেছত বাংলাদেশৰ বিৰুদ্ধে ১২-০ গ'লত জয়লাভ কৰে। অধিনায়ক হৰমন

প্ৰীত সিঙে পেনাল্টি কৰ্ণাৰত হেট্ৰিক কৰাৰ বিপৰীতে মনদিপ সিঙেও ৩ টা গ'ল দিয়ে। হৰমন প্ৰীত সিঙ নেতৃত্বাধীন দলটোৱে গ্ৰুপৰ ৫ খন খেলতে জয়লাভ কৰি মুঠতে ৫৮ টা গ'ল দিয়ে।

বেডমিণ্টনত ভাৰতৰ সাই প্ৰতীক আৰু তানিছা ক্ৰাষ্ট'ৰে মিক্সড ডাবলছত লিয়ং ল'ক চং আৰু এন ৰেং চি বিৰুদ্ধে খেলি বিজয়ী হৈছে। ভাৰতীয় যুটীটোৱে কাইলৈ ১৬ ৰাউণ্ডৰ খেলত চেং টাং জি আৰু টোহ য়ে ৰেৰ মুখামুখি হ'ব।

oooo

সমাপ্ত